www.prepp.in

Prepp
Your Personal Exams Guide





# ASSAMESE

## ( Compulsory )

| Time Allowed : Three Hours | Maximum Marks : 300 |
| --- | --- |

## QUESTION PAPER SPECIFIC INSTRUCTIONS

**Please read each of the following instructions carefully before attempting questions**

All questions are to be attempted.

The number of marks carried by a question is indicated against it.

Answers must be written in ASSAMESE (Assamese script) unless otherwise directed in the question.

Word limit in questions, wherever specified, should be adhered to and if answered in much longer or shorter than the prescribed length, marks may be deducted.

Any page or portion of the page left blank in the Question-cum-Answer Booklet must be clearly struck off.

---

# অসমীয়া

## ( আৱশ্যিক/বাধ্যতামূলক )

| সময় : ৩ ঘণ্টা | মুঠ নম্বৰ : 300 |
| --- | --- |

## প্ৰশ্নোত্তৰ বহী সম্পৰ্কীয় বিশেষ নিৰ্দেশনা

**প্ৰশ্নোত্তৰ লিখাৰ আগতে তলৰ পৰামৰ্শাৱলী/নিৰ্দেশনা যত্ন সহকাৰে পঢ়ি লোৱাঁ**

সকলোবোৰ প্ৰশ্নৰ উত্তৰ লিখিব লাগিব।

প্ৰশ্নটোৰ কাষত প্ৰশ্নটোৰ মূল্যাংক/প্ৰশ্নাংশৰ মূল্যাংক দিয়া আছে।

বিশেষ নিৰ্দেশনা নথকা প্ৰশ্নৰ উত্তৰ অসমীয়া ভাষাত (অসমীয়া লিপিৰে) লিখিব লাগিব।

প্ৰশ্নোত্তৰৰ বাবে শব্দৰ নিৰ্ধাৰিত সংখ্যা দিয়া থাকিলে তাক মানিব লাগিব আৰু নিৰ্ধাৰিত সংখ্যাতকৈ দীঘল অথবা চমু কৰিলে নম্বৰ কটা যাব পাৰে।

প্ৰশ্নোত্তৰ বহীৰ কোনোবা পৃষ্ঠা বা পৃষ্ঠাংশ খালি হৈ থাকিলে স্পষ্টকৈ কাটি দিব লাগিব।

www.prepp.in

Prepp
Your Personal Exams Guide

**1.** তলৰ যি কোনো **এটা** বিষয়ত *600* টা শব্দৰ ভিতৰত এখন ৰচনা লিখাঁ : 100

(a) সংস্কৃতি কি কাৰণে গুৰুত্বপূৰ্ণ?

(b) প্ৰাণৱন্ত মহানগৰ (Smart cities) আৰু অনুৎসাহী (Unsmart) নাগৰিক

(c) ন্যায়িক সক্ৰিয়তা বনাম ন্যায়িক আগ্ৰাসন

(d) বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত ঐতিহ্যৰ প্ৰতি শ্ৰদ্ধাৰ বীজ অঙ্কুৰণ

**2.** তলত দিয়া কথাখিনি মনযোগ সহকাৰে পঢ়া আৰু তাৰ তলত দিয়া আটাইবোৰ প্ৰশ্নৰ স্পষ্ট, শুদ্ধ আৰু সংক্ষেপ উত্তৰ দিয়াঁ : 12×5=60

প্ৰায়েই কোৱা হয় যে তিৰোতাই আকাশখনৰ আধা আগুৰি থাকে। আমি আৰু এখোজ আগুৱাই গৈ যুক্তিৰে প্ৰতিষ্ঠা কৰিব পাৰোঁ যে তেওঁলোকে তাতকৈ বেছি আগুৰি আছে। কিন্তু বাস্তৱত সম্পূৰ্ণ ওলোটা। বুৰঞ্জীৰ বিভিন্ন যুগত, বিভিন্ন দেশ আৰু সমাজত, বিভিন্ন ভাষা, জাতি, জনজাতি আৰু সম্প্ৰদায়ৰ মাজত তিৰোতাসকল প্ৰায় সকলো ক্ষেত্ৰতে পুৰুষসকলৰ তুলনাত অৱহেলিত আৰু সমান সা-সুবিধাৰ পৰা বঞ্চিত। তেওঁলোকক একো একোগৰাকী স্বয়ংসম্পূৰ্ণ, মৰ্যদাসম্পন্ন, স্ব-সিদ্ধান্ত ল'বৰ যোগ্য ব্যক্তি বুলি গণ্য কৰা নহয়। তাৰ সলনি তেওঁলোকক পুৰুষৰ আহিলা হিচাপেহে গ্ৰাহ্য কৰা হয় আৰু কেৱল যৌন সম্ভোগ, প্ৰজনন, শিশুৰ প্ৰতিপালন আৰু ঘৰৰ যাৱতীয় কাম-কাজৰ সহায়িকা হিচাপেহে গণ্য কৰা হয়। তেওঁলোক যেন মাতৃ, পত্নী আৰু কন্যা হিচাপেহে সমাজৰ লাগতিয়াল অঙ্গ। অন্যথাই তেওঁলোক অলাগতিয়াল।

একাকী জীৱন-যাপন কৰা তিৰোতাবিলাক এই যান্ত্ৰিকতাৰ বাহিৰত। এওঁলোকৰ ভিতৰত আছে—বিবাহযোগ্য বয়স অতিক্ৰম হোৱাৰ পাছতো যাৰ বিয়া হোৱা নাই, যাৰ বিবাহ বিচ্ছেদ হৈছে আৰু যিসকলে দুৰ্ভাগ্যবশত স্বামীক হেৰুৱাইছে। 'পুৰুষৰ ৰক্ষণা-বেক্ষণ আৰু নিৰাপত্তা' নোহোৱা তিৰোতাৰ প্ৰতি বিশেষকৈ বিয়া নোহোৱাকৈ থকা অথবা স্বামীক হেৰুওৱা তিৰোতাৰ প্ৰতি সমাজ সদয় অথবা সহৃদয় নহয়। পুৰুষৰ ছত্ৰছায়াত নথকা বা থাকিব নোখোজা তিৰোতাসকলৰ প্ৰতি পুৰুষসকলৰ সকলোতকৈ বেছি বিৰক্তি।

উন্নয়নশীল দেশবোৰত তিৰোতাই শতকৰা ৬০ৰ পৰা ৮০ ভাগ পৰ্যন্ত আৰু সমগ্ৰ বিশ্বত প্ৰায় আধা পৰিমাণৰ খাদ্য উৎপাদন কৰে। ঘৰতো তেওঁলোকেই খাদ্য প্ৰস্তুত আৰু পৰিবেশনৰ কাম কৰে তথাপিও ভাৰতবৰ্যত সাংস্কৃতিক আৰু সামাজিক পৰম্পৰা ৰক্ষা কৰি তিৰোতাসকলেই শেষত খায়, কম পৰিমাণে খায়, আৰু কেতিয়াবা খাদ্য-সামগ্ৰী কম হোৱা কাৰণে নোখোৱাকৈও থাকে। ঘৰত পৰ্যাপ্ত পৰিমাণৰ আহাৰ থাকিলেও পুষ্টিকৰ আহাৰ তিৰোতা আৰু ছোৱালীৰ ভাগত নপৰে। একাকী জীৱন কটোৱা তিৰোতাসকলে এই ক্ষেত্ৰত আৰু অধিক অসুবিধাৰ সন্মুখীন হয়। যদিও একাকী হৈও তিৰোতাসকলে জীৱনত তেওঁলোকক প্ৰতিষ্ঠিত কৰিবলৈ সক্ষম হৈছে।

ভাৰতবৰ্ষ পৃথিৱীৰ অল্পসংখ্যক দেশৰ ভিতৰত এখন, য'ত তিৰোতা আৰু ছোৱালীৰ সংখ্যা পুৰুষ আৰু ল'ৰাতকৈ কম। ভাৰতৰ জনসংখ্যাত তেওঁলোকৰ অনুপাত কমি আহিছে। ২০০১ চনৰ লোকপিয়ল অনুসৰি প্ৰতি ১০০০ জন পুৰুষৰ বিপৰীতে তিৰোতাৰ সংখ্যা ৯৩৩। যদি তিৰোতা আৰু ছোৱালীক জীয়াই থকাৰ আৰু জীৱনৰ সকলো অধিকাৰ আৰু সা-সুবিধা পুৰুষৰ সমানে দিয়া হয়, তেনেহ'লে পুৰুষ আৰু তিৰোতাৰ অনুপাত প্ৰায় সমান হ'ব। যোৱা ২০০১ চনৰ লোকপিয়ল অনুসৰি ভাৰতবৰ্যত তিৰোতা আৰু ছোৱালীৰ সংখ্যা পুৰুষ আৰু ল'ৰাৰ তুলনাত ৩৫ নিযুত কম। ২০১১ চনৰ লোকপিয়লত এই লিংগ অনুপাত সামান্য উন্নত হৈছে : তিৰোতাৰ অনুপাত ৯৪০ হৈছে গৈ। ইয়াৰ ভিতৰতে এটা চিন্তাৰ কাৰণ হৈ উঠিছে যে শূন্যৰ পৰা ছয় বছৰীয়া শিশুৰ মাজত ছোৱালীৰ অনুপাত ক্ৰমশঃ হ্ৰাস পাই আহিছে; ২০০১ চনত প্ৰতি হেজাৰত ছোৱালী আছিল ৯২৭ আৰু ২০১১ত সি হৈছে গৈ ৯১৪। এইটোৱে ইয়াকে প্ৰমাণিত কৰে যে সামাজিক আৰু সাংস্কৃতিক পৰম্পৰা, ক্ৰমবৰ্ধমান তথ্য-প্ৰযুক্তিৰ প্ৰয়োগ, লিংগ-বৈষম্য, অৱহেলা আৰু হিংসাত্মক প্ৰবৃত্তিয়ে বহু নিযুত কন্যা শিশুৰ জীৱন-বন্তি অকালতে নিৰ্বাপিত কৰিছে। ভাৰতীয় সমাজে নানা উপায়ে আৰু নিয়মিতভাৱে ছোৱালী আৰু তিৰোতাক হত্যা কৰি আহিছে।

www.prepp.in

Prepp
Your Personal Exams Guide

প্ৰশ্নাৱলী :

(a) লোকপ্ৰিয়লৰ পৰিসংখ্যাই ছোৱালী আৰু তিৰোতা সম্পৰ্কে কি বাৰ্তা বহন কৰে? 12

(b) আহাৰ আৰু তিৰোতা-সংক্ৰান্তীয় অসমানতা কি কাৰণে এটা পৰিহাস? 12

(c) "তিৰোতাই আকাশৰ আধাতকৈও বেছি আগুৰি আছে" বুলি কোৱা কথাষাৰ তৰ্কবাদৰ যোগ্য বুলি কৈ লিখকে কি বুজাব খুজিছে? 12

(d) পিতৃপ্ৰধান সমাজত তিৰোতা কেনেকৈ 'কেৱলমাত্ৰ এক প্ৰকাৰ যন্ত্ৰ'ত পৰিণত হয়? 12

(e) লিখকৰ মতে একাকী জীৱন কটোৱা তিৰোতাসকলৰ জীৱন কেনেকৈ বিপদসঙ্কুল হৈ পৰে? 12

**3.** তলত দিয়া কথাখিনিৰ সাৰাংশ এক-তৃতীয়াংশ শব্দৰ ভিতৰত লিখাঁ। শিৰোনাম দিয়াৰ আৱশ্যকতা নাই। সাৰাংশ তোমাৰ নিজৰ ভাষাত লিখিব লাগিব : 60

আমাৰ সৰহভাগ লোকেই এই কথাত একমত যে অনুগত হোৱাটো প্ৰশংসনীয়। আমাৰ পৰিয়ালৰ প্ৰতি, বন্ধুৰ প্ৰতি, দেশৰ প্ৰতি এনেকি আমাৰ উপকাৰ সাধন কৰা ব্যক্তি আৰু সমষ্টিৰ প্ৰতি আনুগত্য থকাটো আমি অনুমোদন কৰোঁ। 'আনুগত্য' বুলি আমি বুজাব খুজিছোঁ—আনৰ অসুবিধা বা বিপদৰ সময়ত সহায় কৰিবলৈ থকা সষ্টমতা বা তৎপৰতা আৰু আনৰ কল্যাণৰ প্ৰতি সকলো সময়তে থকা এটা নিৰৱচ্ছিন্ন ৰুচি। কেতিয়া এজন মানুহক আনুগত্যহীন বুলি কোৱা হয়? যেতিয়া কোনোবাই নিজৰ মাক-বাপেকৰ প্ৰতি উদাসীন হৈ তেওঁলোকক মনোকষ্ট দিয়ে, অথবা নিজৰ সৈন্যবলৰ বিপক্ষে যুদ্ধ কৰে আৰু নিৰ্বিচাৰে দেশৰ সাধাৰণ মানুহক মাৰে তেতিয়া আমি তেনে লোকক আনুগত্যহীন বুলি কওঁ। এনে লোকক আমাৰ প্ৰায় সকলোৱেই বেয়া পায়।

কিন্তু কেতিয়াবা এনে কিছুমান পৰিস্থিতিৰ সৃষ্টি হয়, য'ত মানুহ এজন আনুগত্যহীন হয় নে নহয় বুজা দিগদাৰ হয়। কেতিয়াবা কোনো টেঙৰ ছাত্ৰই মাক-বাপেকৰ বাধা-নিষেধ আওকাণ কৰে; মাক-বাপেকে পঢ়াশুনা এৰি অৰ্থ-উপাৰ্জনত মাক-বাপেকক সহায় কৰিবলৈ ক'লেও সেই কথা নুশুনি পঢ়াশুনাত ব্ৰতী হয়। সি হয়তো ভাবে যে সি পঢ়াশুনা কৰিলেহে ভালকৈ উপাৰ্জন কৰি মাক-বাপেকৰ ঋণ শোধ কৰিব পাৰিব; সি যদি এতিয়াই পঢ়াশুনা বন্ধ কৰে তাৰ মেধা-শক্তি অথলে যাব আৰু সি কাৰো কামত নাহিব। দূৰদৃষ্টিহীন মানুহে কেতিয়াবা এনে সিদ্ধান্ত লোৱা ল'ৰা বা ছোৱালীক দোষিব পাৰে; কিন্তু ল'ৰাটো বা ছোৱালীজনী যদি বিবেচনাশীল হয় আৰু মাক-দেউতাকৰ পৰিশ্ৰমৰ মাজে-সময়ে অংশীদাৰ হয়, তেতিয়াহ'লে তেওঁলোকে পিছলৈ সমালোচনাৰ সলনি উৎসাহহে পাব। কেতিয়াবা এনে পৰিস্থিতিও উৎপন্ন হয়, য'ত দুখীয়া মাক-বাপেকে ল'ৰা-ছোৱালীক বিদ্যালয়ত পঢ়ুৱাব নোৱাৰি সিহঁতক কাম-কাজত নিয়োজিত কৰিব খোজে, কিন্তু সিহঁতে মাক-বাপেকৰ বাধা নেওচি, কিবা সৎ বা অসৎ উপায়ে ধন ঘটি, পৰিয়ালৰ পৰা বিচ্ছিন্ন হৈ পঢ়াশুনা কৰে আৰু ডাঙৰ হৈ সফলতা লাভ কৰিলেও সিহঁতৰ বাল্যকালৰ আনুগত্যহীনতাৰ বাবে অনুতাপ থাকি যায়।

কেতিয়াবা মানুহৰ চৰকাৰৰ লগত থকা সম্পৰ্কটোত এটা সমস্যাৰূপে থিয় দিয়ে। কেতিয়াবা কোনো এদল মানুহে দেশখনক একনিষ্ঠভাৱে ভাল পাই, দেশৰ প্ৰগতি আৰু সুখ-শান্তিৰ হকে দিনে-ৰাতিয়ে কাম কৰি পিছত দেশৰ বিৰুদ্ধে অস্ত্ৰ হাতত লৈ বিদ্ৰোহত লিপ্ত হয়। কাৰণ তেওঁলোকৰ দৃঢ় বিশ্বাস হয় যে চৰকাৰখন দেশৰ হিত বা কল্যাণসাধনৰ বাবে নহয় আৰু ইয়াক ওফৰাবলৈ সশস্ত্ৰ বিপ্লৱৰ বিকল্প নাই। চৰকাৰে তেওঁলোকক 'বিপ্লৱী' বা 'বিশ্বাসঘাতক' বুলি বিভূষিত কৰিব পাৰে; নিশ্চিতভাৱে মোৰ প্ৰথম শব্দটোৰ প্ৰয়োগ যথাৰ্থ আৰু দ্বিতীয়টো সিমান ঠিক নহ'বও পাৰে। এই বিপ্লৱীসকল দেশবাসীৰ প্ৰতি অনুগত, দেশবাসীৰ স্বাৰ্থৰক্ষাৰ প্ৰতি তেওঁলোক ব্যাকুল। কিন্তু চৰকাৰৰ দৃষ্টিত তেওঁলোক আনুগত্যহীন। কোনো এটা বিপ্লৱ দেশৰ প্ৰতি থকা আনুগত্যৰ দ্বাৰা অনুপ্ৰাণিত হয় নে বিপ্লৱকাৰীসকলৰ ব্যক্তিস্বাৰ্থৰ দ্বাৰা প্ৰভাৱিত হয় সঠিককৈ কোৱা টান। যদি বিপ্লৱ সফল হয় আৰু বিপ্লৱীসকলে নতুন চৰকাৰ গঠন কৰে, তেওঁলোকে জানো স্বীকাৰ কৰিব যে ৰাজনৈতিক প্ৰতিদ্বন্দ্বীসকলকে ধৰি দেশৰ জনতাৰ মৌলিক অধিকাৰ—যথা বক্তব্যৰ অধিকাৰ, প্ৰতিবাদৰ অধিকাৰ থাকিবনে? তেওঁলোকে জনসমৰ্থন লাভৰ কাৰণে প্ৰয়াস কৰিবনে? যদি প্ৰথম বিষয়টোৰ প্ৰতি

www.prepp.in

তেওঁলোকৰ সঁহাৰি ইতিবাচক হয়, তেনেহ'লে জনা যাব যে তেওঁলোক নিজৰ দেশৰ প্ৰতি অনুগত। আৰু তেওঁলোক দলৰ সংকীৰ্ণ ব্যক্তিস্বাৰ্থ সাধনৰ বাবে আগ্ৰহী নহয়। যদি তেওঁলোক দ্বিতীয়টোৰ প্ৰতি আসক্ত হয় তেতিয়াহ'লে বুজা যাব যে তেওঁলোক দেশৰ প্ৰতি অনুগত নহয়।

**4.** তলত দিয়া কথাখিনি ইংৰাজীলৈ অনুবাদ কৰাঁ : 20

এসময়ত এজন আমীৰ নিজৰ জাহাজত উঠি সমুদ্ৰযাত্ৰা কৰিবলৈ গৈছিল। তেতিয়া এটা ধুমুহা আহিল। জাহাজখনত এটা ক্ৰীতদাস আছিল; সি কোনোকালে সমুদ্ৰযাত্ৰা কৰা নাই। ধুমুহাৰ গতি-প্ৰকৃতি দেখি সি ভয়তে বিনাবলৈ ধৰিলে। পিছত সি ডাঙৰ ডাঙৰকৈ কান্দিবলৈ ধৰিলে। সি বহুত সময় ধৰি কান্দি থাকিল ; কাৰো বুজনিয়ে তাক শান্ত কৰিব নোৱাৰিলে। আমীৰৰ খং উঠিল। তেওঁ সুধিলে, ''এই ভীকটোক শান্ত কৰিব পৰা কোনো মানুহ ইয়াত নাইনে?''

সেই জাহাজৰ এজন যাত্ৰীয়ে ক'লে, ''হুজুৰ মই ভাবোঁ মই তাক শান্ত কৰিব পাৰিম। কিন্তু হুজুৰে মোক সম্পূৰ্ণ অনুমতি দিব লাগিব ; মই যেনেকৈ যি কৰিব খোজোঁ তাকে কৰিবলৈ দিব লাগিব।'' সেই যাত্ৰীজন আচলতে এজন দাৰ্শনিক আছিল। ''ঠিক আছে'', আমীৰে ক'লে, ''তোমাক অনুমতি দিয়া হ'ল।''

দাৰ্শনিকজনে কেইজনমান নাবিকক মাতিলে আৰু এই ক্ৰীতদাসজনক সাগৰত পেলাই দিবলৈ ক'লে। নাবিককেইজনে তাকে কৰিলে। বিবুদ্ধিত পৰি ক্ৰীতদাসজনে মুখেৰে চিঞৰিলে আৰু হাত ভৰি জোকাৰি সাঁতুৰিবলৈ চেষ্টা কৰিলে। ক্ষন্তেক পিছতে দাৰ্শনিকজনে নাবিকসকলক ক্ৰীতদাসটোক জাহাজলৈ তুলি আনিবলৈ হুকুম দিলে। নাবিকবিলাকে তাকে কৰিলে। জাহাজত উঠি সি লেতুসেতু হৈ পৰি থাকিল ; ঘনকৈ উশাহ ল'লে কিন্তু সি সম্পূৰ্ণ নীৰৱ। ক্ৰীতদাসটোৰ এনে আকস্মিক পৰিৱৰ্তন দেখি আমীৰ আচৰিত হ'ল আৰু দাৰ্শনিকজনৰ পৰা এটা ব্যাখ্যা বিচাৰিলে। দাৰ্শনিকজনে ক'লে, ''আমি অধিক বেয়া পৰিস্থিতিৰ সন্মুখীন নোহোৱালৈকে আমি নুবুজোঁ যে আমি বৰ্তমান অৱস্থাত কিমান সুখত আছোঁ।''

**5.** তলত লিখা কথাখিনি অসমীয়ালৈ অনুবাদ কৰাঁ : 20

Man has always been fascinated by dreams. He has always tried to find explanations for his dreams. Perhaps dreams tell us about the future or the past, perhaps they tell us about our deepest fears and hopes. I don't know. Today, I want to give you a completely different explanation. But before I do so, I must give you one or two facts about dreams. First of all, everybody dreams. You often hear people say, 'I never dream', when they mean, 'I can never remember my dreams.' When we dream, our eyes move rapidly in our sleep as if we were watching a moving picture, following it with our eyes. This movement is called REM, that is Rapid Eye Movement. REM sleep is the sleep that matters. Experiments have proved that if we wake people throughout the night during REM, they will feel exhausted the next day. But they won't feel tired at all if we take them at times when they are not dreaming. So the lesson is clear : it is dreaming that really refreshes us, not just sleep. We always dream more if we have had to do without sleep for any length of time.

If that is the case, how can we explain it? I think the best parallel I can draw is with computers. After all, a computer is a very primitive sort of brain. To make a computer work, we give it a programme. When it is working, we can say it is 'awake'. If ever we want to change the programme, that is to change the information we put into the computer, what do we do? Well, we have to stop the computer and put in a new programme or change the old programme.

www.prepp.in

Prepp
Your Personal Exams Guide

6. *(a)* তলৰ জতুৱা খণ্ড বাক্যকেইটা ব্যৱহাৰ কৰি **একোটাকৈ** বাক্য ৰচনা কৰাঁ : 2×5=10

*(i)* চকু-চৰহা

*(ii)* হাত-দাণ্ড

*(iii)* থৰকাচুতি হেৰোৱা

*(iv)* ফিতাহি-মাৰ

*(v)* উগুল-থুগুল

*(b)* তলত দিয়া প্ৰতিটো শব্দৰ **দুটাকৈ** অৰ্থ লিখাঁ। অৰ্থ স্পষ্ট কৰিবৰ কাৰণে একাধিক শব্দ ব্যৱহাৰ কৰিব পাৰিবা : 2×5=10

*(i)* ন

*(ii)* বং

*(iii)* গুণ

*(iv)* বচন

*(v)* পুৰুষ

*(c)* তলত দিয়া শব্দবোৰৰ প্ৰত্যেকৰে **একোটা** সমাৰ্থক শব্দ লিখাঁ : 1×10=10

*(i)* উজু

*(ii)* চমু

*(iii)* আহুদি

*(iv)* সাং

*(v)* পৃথক

*(vi)* ওফাইদাং

*(vii)* ফৰকাল

*(viii)* আহুকাল

*(ix)* দীপলিপ

*(x)* পৈ

*(d)* তলত দিয়া প্ৰবচন দুটাৰ ভাব-সম্প্ৰসাৰণ কৰাঁ : 5×2=10

*(i)* যেনে কুকুৰ, তেনে টাঙোন

*(ii)* আঁঠুৱা চাই ঠেং মেলা

★ ★ ★